# 2021

( Held in 2022 )

## ASSAMESE

( Honours )

Paper : ASM–HC–1016

( অসমীয়া সাহিত্যৰ বুৰঞ্জী )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলৰ প্ৰশ্নবোৰৰ অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত' গ্ৰন্থত মধ্যযুগক কেইটা পৰ্যায়ত বিভক্ত কৰিছে?

(খ) 'অসমীয়া সাহিত্যৰ ৰূপৰেখা' গ্ৰন্থখনৰ প্ৰথম তাঙৰণ কেতিয়া প্ৰকাশ হৈছিল?

(গ) দেবেন্দ্ৰনাথ বেজবৰুৱাই ৰচনা কৰা অসমীয়া সাহিত্যৰ বুৰঞ্জী গ্ৰন্থখনৰ নাম কি?

(ঘ) কিমান চনত মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰীয়ে নেপাল ৰাজদৰবাৰ গ্ৰন্থালয়ৰ পৰা 'চৰ্যাপদ'সমূহ উদ্ধাৰ কৰে?

(ঙ) 'শ্ৰীকৃষ্ণ-কীৰ্তন' কাব্যখনৰ বৰ্ণনীয় বিষয় কি?

(চ) তিব্বতী ভাষাত 'ডাক' শব্দৰ অৰ্থ কি?

(ছ) 'হৰগৌৰী সংবাদ' ৰচনা কৰা কবিজনাৰ নাম কি?

(জ) 'গুণ-মালা' পুথিখন কি ছন্দত লিখা হৈছিল?

(ঝ) ভট্টদেৱৰ প্ৰকৃত নাম কি?

(ঞ) " 'গীতি-ৰামায়ণ' বাল্মীকিৰ মহাকাব্যৰ গাঁৱলীয়া তাণ্ডৱণ মাথোন"—এই কথাষাৰ কোনে কৈছিল?

২। তলৰ প্ৰশ্নবোৰৰ চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) কামৰূপৰ দুগৰাকী চৰ্যাকাৰৰ নাম লিখা।

(খ) 'অসমীয়া সাহিত্যৰ চানেকি' গ্ৰন্থখন কাৰ ৰচনা? অসমীয়া সাহিত্যৰ প্ৰাচীন কালটোক ইয়াত কি বুলিছে?

(গ) অসমীয়া সমাজত প্ৰচলিত দুটি ডাকৰ বচনৰ উদ্ধৃতি দিয়া।

(ঘ) 'শূন্যপুৰাণ' কোনে ৰচনা কৰিছিল? ইয়াৰ মূল বিষয়বস্তু কি?

(ঙ) কমতাপুৰৰ ৰজাৰ অনুপ্ৰেৰণা লাভ কৰা কবিসকলৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ কবিজন কোন? তেওঁৰ দুখন কাব্যৰ নাম লিখা।

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) অসমীয়া ভাষা-সাহিত্যলৈ বাণীকান্ত কাকতিৰ অৱদান সম্পৰ্কে চমুকৈ লিখা।

(খ) 'শ্ৰীকৃষ্ণ-কীৰ্তন'ৰ এটি পৰিচয়মূলক টোকা লিখা।

(গ) প্ৰাক্-শংকৰী যুগৰ কবিসকলৰ কাব্যৰ সাধাৰণ বৈশিষ্ট্য সম্পৰ্কে চমুকৈ লিখা।

(ঘ) ভট্টদেৱৰ ৰচনাৱলীৰ ক্ৰম সম্পৰ্কে সাহিত্যৰ বুৰঞ্জীৰ আধাৰত লিখা।

(ঙ) 'বেউলা-আখ্যান'ৰ বিষয়ে এটি টোকা যুগুত কৰা।

(চ) চমু টোকা লিখা : 'নামঘোষা'ত প্ৰতিফলিত দাস্যভাৱ।

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) সত্যেন্দ্ৰনাথ শৰ্মাকৃত অসমীয়া সাহিত্যৰ যুগ-বিভাজন সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

(খ) ডাকৰ বচনত অসমীয়া সমাজ-জীৱনৰ কোনবোৰ দিশ প্ৰকাশিত হৈছে, উদাহৰণসহ আলোচনা কৰা।

(গ) অসমীয়া সাহিত্যৰ বুৰঞ্জীত 'চৰ্যাপদ'ৰ স্থান নিৰূপণ কৰা।

(ঘ) মাধৱ কন্দলিৰ কাব্য-প্ৰতিভা সম্পৰ্কে এটি সমালোচনাত্মক নিবন্ধ যুগুত কৰা।

(ঙ) শংকৰদেৱৰ নাটৰ বৈশিষ্ট্য সম্পৰ্কে এটি আলোচনা প্ৰস্তুত কৰা।

(চ) সুকবি নাৰায়ণদেৱৰ চমু পৰিচয় উল্লেখ কৰি তেওঁৰ সাহিত্যকৃতি সম্পৰ্কে বিশদ বিৱৰণ দিয়া।

(ছ) অসমীয়া নাট্য-সাহিত্যলৈ 'ঝুমুৰা' কাৰ অৱদান? তেওঁৰ ঝুমুৰা কেইখনৰ চমু পৰিচয় দিয়া।

(জ) শংকৰী যুগৰ সাহিত্যৰ সাধাৰণ বিশেষত্ব সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

★★★

**2021**

( Held in 2022 )

ASSAMESE

( Honours )

Paper : ASM–HC–1026

**( History of Assamese Literature )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) ভট্টদেৱৰ প্ৰকৃত নাম কি?

(খ) ভৱানীপুৰীয়া গোপালদেৱে ৰচনা কৰা এখন নাটৰ নাম লিখা।

(গ) সুকুমাৰ বৰকাথে হাতীৰ চিকিৎসা সম্পৰ্কে ৰচনা কৰা পুথিখনৰ নাম কি?

(ঘ) আহোম যুগৰ শ্ৰেষ্ঠ কবিজনৰ নাম কি?

(ঙ) 'তুংখুঙীয়া বুৰঞ্জী'ৰ ৰচক কোন?

(চ) 'অৰুণোদই' কাকত কিমান চনত প্ৰকাশ হৈছিল?

(ছ) ডক্টৰ নাথান ব্ৰাউনে অসমীয়া ভাষাৰ বিষয়ে ইংৰাজীত ৰচনা কৰা ব্যাকৰণ পুথিখনৰ নাম কি?

(জ) 'অৰুণোদই'ৰ সমকালীন এখন অসমীয়া বাতৰি কাকতৰ নাম লিখা।

(ঝ) 'চাহাপৰী উপাখ্যান'ৰ ৰচক কোন?

(ঞ) 'হেমকোষ' কিমান চনত প্ৰকাশ হৈছিল?

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) শংকৰোত্তৰ কালৰ অসমীয়া সাহিত্যৰ দুটা বৈশিষ্ট্য লিখা।

(খ) ভট্টদেৱে গদ্যত ৰচনা কৰা দুখন পুথিৰ নাম লিখা।

(গ) পদ্যত ৰচনা কৰা দুখন বুৰঞ্জীৰ নাম লিখা।

(ঘ) অৰুণোদই যুগৰ দুজন অখৃষ্টীয়ান লেখকৰ নাম লিখা।

(ঙ) প্ৰথম অসমীয়া সামাজিক নাটখনৰ নাম কি? ইয়াৰ ৰচক কোন?

৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) শংকৰোত্তৰ কালৰ অসমীয়া নাট

(খ) বুৰঞ্জীৰ গদ্য

(গ) এ. কে. গার্নিৰ সাহিত্যকৃতি

(ঘ) অসমীয়া ভাষা সাহিত্যলৈ আনন্দৰাম ঢেকিয়াল ফুকনৰ অৱদান

(ঙ) ঊনবিংশ শতিকাৰ শেষ কালছোৱাৰ অসমীয়া ভাষা-সাহিত্যৰ কাণ্ডাৰীৰূপে গুণাভিৰাম বৰুৱাৰ অৱদান

(চ) শংকৰোত্তৰ যুগৰ অসমীয়া ৰামায়ণী সাহিত্য

৪। শংকৰোত্তৰ কালৰ অসমীয়া সাহিত্যৰ গতি-প্ৰকৃতি সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা। ১০

*অথবা*

অসমীয়া চৰিত পুথিৰ উৎপত্তি আৰু বিকাশ সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

৫। অসমীয়া ৰামায়ণী সাহিত্যলৈ ৰঘুনাথ মহন্তৰ অৱদান সম্পৰ্কে আলোচনা কৰা। ১০

*অথবা*

আহোম যুগত ৰচিত ব্যৱহাৰিক পুথিসমূহৰ এটি ৰূপৰেখা দাঙি ধৰা।

৬। প্ৰাক্-অৰুণোদই যুগৰ যি কোনো দুগৰাকী লেখকৰ বিষয়ে আলোচনা কৰা। ১০

*অথবা*

‘‘যুক্তৰাষ্ট্ৰৰ এই মিছনেৰী দম্পতিৰ দান অসমীয়াই চিৰকাল স্মৰণ কৰিব।’’ এই মন্তব্যৰ আধাৰত যুক্তৰাষ্ট্ৰৰ নাথান ব্ৰাউন দম্পতিৰ স্মৰণীয় অৱদানসমূহৰ বিষয়ে আলোচনা কৰা।

৭। অসমীয়া সমাজ, সাহিত্যলৈ খৃষ্টান মিছনেৰীসকলৰ অৱদান সম্পৰ্কে আলোচনা কৰা। ১০

*অথবা*

হেমচন্দ্ৰ বৰুৱাৰ জীৱন আৰু সাহিত্য-সাধনা সম্পৰ্কে এটি নাতিদীৰ্ঘ নিবন্ধ যুগুত কৰা।

★★★